স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

সংখ্যা ১৮৬ □ বুধবাৰ □ ২২ ভাদ ১৯৪৮ শক □ ১৪৩৩ ভাস্কৰাব্দ □ ৯ ছেপ্টেম্বৰ ২০২৬ চন □ VOL-16 □ NO-186 □ WEDNESDAY 9 SEPTEMBER 2026

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

Dibrugarh, Assam

সুপ্ৰভাত

আজিৰ দিনটোতে—

- আন্তৰ্জাতিক ছুড'কু দিৱস
- তাজিকিস্তানৰ স্বাধীনতা দিৱস
- ১৮২৮ত ৰুছ কথা-সাহিত্যিক লিঅ' টলষ্টয়ৰ জন্ম
- ১৯০৩ত সাহিত্যিক অতুল চন্দ্ৰ হাজৰিকাৰ জন্ম
- ১৯৭৯ত যোগেন্দ্ৰ নাথ ভূঞা অসমৰ মুখ্যমন্ত্ৰী
- ১৯৬৭ত অভিনেতা অক্ষয় কুমাৰৰ জন্ম

ডিব্ৰুগড়ৰ কলিআই থান চৌহদত ডাঙৰীয়া থান মুকলি

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ এক ইতিহাস সৃষ্টিৰে কেইবাশ বছৰ পূৰ্বে গঢ়ি উঠা ডিব্ৰুগড় শ্ৰীশ্ৰী কলি আই থান চৌহদত কালি নৱনিৰ্মিত ডাঙৰীয়া থান, শিৱ মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। পুৱাৰ পৰা মন্দিৰ চৌহদত শংখ-ঘণ্টাৰ পৱিত্ৰ ধ্বনি, হোম-যজ্ঞৰ সুৱাস আৰু শতাধিক ভক্তৰ 'হৰ হৰ মহাদেৱ' ধ্বনিৰে মুখৰিত হৈ পৰিল ডিব্ৰুগড়ৰ এই ঐতিহ্যমণ্ডিত কলি আই থান চৌহদ। স্থানীয় ৰাইজৰ সৰ্বাত্মক সহযোগ আৰু মুক্তহস্ত দান-বৰঙণিৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা নতুন ডাঙৰীয়া থানখনৰ অন্তভাগত ডাঙৰীয়াৰ প্ৰাণ প্ৰতিষ্ঠা কৰি এক মাংগলিক পৰিৱেশত আনুষ্ঠানিকভাৱে ভক্তসকলৰ বাবে মুকলি কৰা হয়। শ্ৰীশ্ৰী কলি আই থান পৰিচালনা সমিতিৰ উদ্যোগত ৰাইজৰ সহযোগত নিজৰ শ্ৰম আৰু আৰ্থিক অনুদানেৰে আধ্যাত্মিক সম্পদ গঢ়ি তোলাৰ এই প্ৰচেষ্টাক উপস্থিত সকলোৱে ভূয়সী প্ৰশংসা কৰে। কাৰ্যসূচীৰ মূল আকৰ্ষণ বৈদিক প্ৰথা অনুসৰি মন্দিৰৰ প্ৰাণ-প্ৰতিষ্ঠা, ডাঙৰীয়া থানৰ যাগ-যজ্ঞৰ মাধ্যমেৰে পুৱাই বৈদিক মন্ত্ৰোচ্চাৰণেৰে ডাঙৰীয়া থানৰ প্ৰাণ-প্ৰতিষ্ঠা সম্পন্ন কৰা হয়। ঐতিহাসিক ক্ষণত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পৰিচালনা সমিতিৰ সদস্যসকলৰ স'তে মত বিনিময় কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— আজিৰ দিনটো ডিব্ৰুগড়ৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব। ই এক শিল-বালি, চিমেণ্টৰ গাঁথনি নহয়, ই হ'ল সমগ্ৰ মানৱ সমাজখনৰ একতা, নিষ্ঠা আৰু উমৈহতীয়া বিশ্বাসৰ এক জীৱন্ত প্ৰতীক। মানুহৰ মন আৰু লক্ষ্য থাকিলে দান-বৰঙণিৰে আধ্যাত্মিক ঐতিহাসিক কীৰ্তিস্তম্ভ গঢ়ি তুলিব পাৰি সেয়া আইথান পৰিচালনা সমিতিয়ে কৰি দেখুৱালে বুলি তেওঁ কয়। মন্দিৰ মুকলিৰ পিছতেই বিশ্ব শান্তি আৰু সমাজৰ কল্যাণৰ অৰ্থে আয়োজিত মহাৰুদ্ৰ যজ্ঞত বহু ভক্তই আহুতি প্ৰদান কৰে। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ভীমকান্ত সন্দিকৈ, যুটীয়া সম্পাদক অঞ্জন চেতিয়া, প্ৰবীণ বৰা, উপ-সভাপতি অঞ্জন গগৈ, ধ্ৰুৱ সন্দিকৈ, সদানন্দ গগৈ, সহকাৰী সম্পাদক কুশল শইকীয়াই জানিবলৈ দিয়া মতে, প্ৰতিটো ইটাৰ পৰা আৰম্ভ কৰি মন্দিৰৰ চূড়ালৈকে প্ৰতিটো অংশতেই ভক্তপ্ৰাণ ৰাইজৰ পৱিত্ৰ অৱদান জড়িত হৈ আছে। ডিব্ৰুগড়ৰ জনপ্ৰিয় পুৰোহিত অনুপ শৰ্মাই যাগ-যজ্ঞ, মন্ত্ৰপাঠ কৰি, বৈদিক পৰম্পৰা মানি ঐতিহাসিক থান তথা মন্দিৰভাগ মুকলি কৰে। অনুষ্ঠানত মন্দিৰৰ ওপৰ ভাগৰ কলহ আৰু ত্ৰিশূল ভাগ দান আগবঢ়োৱা ডিব্ৰুগড় লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰিজুং গগৈ, শিল্পী জিতেন দাস, ৰুবী গগৈ সন্দিকৈ, সমাজকৰ্মী ৰঞ্জিত বৰুৱা, চিৰঞ্জীৱ ঘৰফলীয়া, প্ৰীতি ঘৰফলীয়াকে ধৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। পূজা-অৰ্চনাৰ অন্তত সামূহিক প্ৰসাদ বিতৰণৰ যোগেদি মন্দিৰ মুকলি কৰা দিনজোৰা কাৰ্যসূচীৰ অন্ত পৰে। কেইবাশ বছৰৰ পূৰ্বে আহোমৰ ৰাজত্বৰ সময়ত ডিব্ৰুগড়ত শ্ৰীশ্ৰী কলিআই থান প্ৰতিষ্ঠা হৈছিল আৰু সেই তেতিয়াৰ পৰাই দৈনিক শ শ ভক্তই থানখনলৈ আশীৰ্বাদ বিচাৰি যায়। নৱনিৰ্মিত এই মন্দিৰভাগ মুকলি কৰাৰ পিছত ১০ ছেপ্টেম্বৰত এশ এজন ভকতৰ যোগেদি বছেৰেকীয়া নামভাগ সম্পন্ন হ'ব।